অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229 (Office), e-mail : assamjatiyabidyalay@gmail.com, website : www.assamjatiyabidyalay.com

Ref : Date :

প্ৰসংগ : তাৰিখ : ২৯-১০-২০১৯

# কামৰূপ জিলাৰ জাতীয় বিদ্যালয়সমূহৰ সাংগঠনিক সভা

**নুনমাটি, গুৱাহাটী, ২৯ নৱেম্বৰ** : ২০২০ শিক্ষা বৰ্ষৰপৰা অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে (এজবেক) অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহক সাংগঠনিকভাৱে একত্ৰিত কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে কিছু নতুন শৈক্ষিক নীতি-নিৰ্দেশনাও স্থিৰ কৰা হৈছে। বিগত কিছুদিনত এই বিষয়ে জাতীয় বিদ্যালয়সমূহক অৱগত কৰাবলৈ ৰাজ্যখনৰ কেইবাখনো জিলাত সাংগঠনিক সভা অনুষ্ঠিত কৰা হৈছে। এজবেকৰ সভাপতি আৰু সচিবে জনাইছে যে কামৰূপ মহানগৰ আৰু গ্ৰাম্য জিলাৰ জাতীয় বিদ্যালয়সমূহৰ বাবে এনে সাংগঠনিক সভাখন অহা ২৪ নৱেম্বৰ, ২০১৯ তাৰিখ দেওবাৰে ৰাতিপুৱা ১০ বজাৰপৰা অসম জাতীয় বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হ'ব। লগতে, ইতিমধ্যে বিভিন্ন জিলাত অনুষ্ঠিত হোৱা সভাসমূহত উক্ত জিলাবোৰৰ যিবোৰ বিদ্যালয়ৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব পৰা নাছিল, সেইবোৰ বিদ্যালয়ৰ প্ৰতিনিধিকো এইখন সভাত উপস্থিত থাকিবলৈ আহ্বান জনোৱা হৈছে।

উক্ত সভাত প্ৰতিখন বিদ্যালয়ৰ তৰফৰপৰা দুগৰাকীকৈ প্ৰতিনিধি উপস্থিত থাকিবলৈ অনুৰোধ জনোৱা হৈছে। প্ৰতিনিধি দুগৰাকীৰ ভিতৰত এগৰাকী পৰিচালনা সমিতিৰ আৰু আনগৰাকী বিদ্যালয়ৰ অধ্যক্ষ/প্ৰধান শিক্ষক/প্ৰধান শিক্ষয়িত্ৰী হোৱাটো বাঞ্ছনীয়।

উক্ত সভাত যোগদানৰ বিষয়ে ১৮ নৱেম্বৰ, ২০১৯ বা তাৰ আগেয়ে ফ'নযোগে (৯৭০৬০২৫১৬৪) অথবা (৮৮৭৬৫২৫১৬১) এই নম্বৰত জনাবলৈ অনুৰোধ জনোৱা হ'ল।

(ৰঞ্জিত নাৰায়ণ ডেকা)
সভাপতি

(ডা° নাৰায়ণ শৰ্মা)
সচিব (অবৈতনিক)

অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ